আধ্যাত্মিক বাতাৱৰণ জন্ম দিয়া। সমাজত এনে এটা সুদূৰপ্ৰসাৰী প্ৰক্ৰিয়া আউনীআটী সত্ৰই আৰম্ভ কৰিলে। আগেয়ে গোসাঁই প্ৰভুসকল নাৱেৰে আৰু নাৱেৰে যাব নোৱৰা ঠাইলৈ খাটোলাৰে গৈছিল। নদীয়ে ঢুকি পোৱা অঞ্চল বিশেষকৈ দিখৌ, দিচাং, ধনশিৰি, দিহিং, সোৱণশিৰি, কলং-কপিলী আদিত এই সত্ৰৰ শিষ্যই বৰগছৰ দৰেই ঠন ধৰি উঠিল।

সত্ৰাধিকাৰৰ চহৰ যাত্ৰাৰ দৃশ্য অতি মনোৰম। আগে আগে গোবিন্দ মহাপ্ৰভুৰ নাও, তাৰ পাছত সত্ৰাধিকাৰৰৰ নাও, তাৰ পাছত চাউল ভঁৰাল, ধন ভঁৰাল এনেকৈ কমেও দহ/বাৰখন নাও যোৱা নিয়ম। সত্ৰ পাইকসকলে এই নাও বাইছিল। প্ৰভু কোন নৈয়েদি, কোন ঠাইলৈ যাত্ৰা কৰিব তাৰ জাননী আৰু সেই শিষ্য অঞ্চলৰ ৰাইজৰ লগত বিভিন্ন যোগসূত্ৰ ৰক্ষা কৰিবৰ বাবে এজন বিশেষ ব্যক্তিক সত্ৰাধিকাৰে দায়িত্ব দিয়ে। তেওঁক ৰাজমেধি বোলা হয়। এইগৰাকী সত্ৰৰ এজন মুখ্য বিষয়ববীয়া অৰ্থাৎ মূল প্ৰসংগীয়া বা বাৰগৰাকী শ্ৰৱণীৰ এজন হ'ব লাগিব। ৰাজমেধিজনে প্ৰভুৰ আগমনৰ নিৰ্ধাৰিত দিনবাৰ আগতীয়াকৈ ৰাইজক জানিবলৈ দি ৰাইজৰ সহযোগত নদীৰ পাৰত অস্থায়ী ঘৰ-দুৱাৰ, নামঘৰ আদি স্থাপন কৰে, যাক বোলা হয় 'বাহৰ'। ৰাইজৰ লগত সততে যোগাযোগৰ সুবিধাৰ বাবে ৰাজমেধিয়ে আকৌ ৰাইজৰ মাজত উপযুক্ত চাই ৰাইজৰদ্বাৰা মনোনীত ব্যক্তিক বৰমেধি, পাখিমেধি, সেৰামেধি আদি সত্ৰাধিকাৰৰদ্বাৰা নিৰ্মালি প্ৰদান কৰোৱাই নিযুক্তি দিয়ে। এনেদৰেই প্ৰভুৱে ৰাজমেধি, বৰমেধি প্ৰভৃতি বিভিন্নসকলৰ যোগে ৰাইজক এডাল ফুলৰ মালাৰে যেন গাঁঠি পেলায়। সেইকেইদিন অস্থায়ী বাহৰত তথা একোটা অঞ্চলত ধৰ্মৰ বেহা আৰম্ভ হয়। নাৱেৰে গৈ নৈৰ পাৰত অস্থায়ী বাহৰ পতাৰ সেই দিন আজি নাই।

আজিকালি সত্ৰাধিকাৰ গাড়ীৰে ৰাইজৰ মাজলৈ যায়। বাহৰৰ পৰম্পৰা নৈৰ পাৰৰপৰা গাঁৱৰ ভিতৰলৈ আহিল। নামঘৰৰ কাষত আহল-বহল স্থান থাকিলে নামঘৰক কেন্দ্ৰ কৰি নতুবা মুকলি স্থানত সম্পূৰ্ণ সত্ৰৰ আৰ্হিৰে বাহৰ পাতে। এটা সময়ত আউনীআটী সত্ৰৰ শিষ্য অসমৰ চাৰিওফালে বিয়পি পৰিল। সকলো শিষ্যৰ ঠাইলৈ সত্ৰাধিকাৰ বা ডেকাধিকাৰ প্ৰতিবছৰেই বা সঘনাই যোৱাটো সম্ভৱ নোহোৱা হ'ল। সেইবাবে সেই সেই অঞ্চলত বিশেষকৈ অতি আওহতীয়া শদিয়া অঞ্চললৈ প্ৰভুসকল সঘনাই যাব নোৱৰাত অশৰণীয়া সংখ্যা বৃদ্ধি পোৱাকে ধৰি শিষ্য মণ্ডলীৰ মাজত অসন্তোষ, সত্ৰীয়া সম্পৰ্ক আৰু বৈষ্ণৱ ধৰ্মীয় বাতাৱৰণ নাইকিয়া হৈ যোৱাৰ দৰে সমস্যাই দেখা দিয়ে। তেনে পৰিস্থিতিত সত্ৰাধিকাৰে ৰাজমেধিসকলক সত্ৰাধিকাৰৰ প্ৰতিনিধিৰূপে চহৰ ফুৰিবলৈ অনুমতি প্ৰদান কৰে। সত্ৰৰ বৃহৎ সংখ্যক শিষ্য হ'ল সোণোৱাল আৰু ঠেঙালসকল। শদিয়াৰ সোণোৱাল আৰু তিতাবৰ প্ৰভৃতিৰ ঠেঙালসকলক সত্ৰৰ বিশেষ চহৰৰ মৰ্যাদা দি শদিয়া আৰু ঠেঙাল চহৰৰূপে সত্ৰৰ ডেকা অধিকাৰ, বৰপূজাৰী, বৰআলধৰা, ভাগৱতী, বাগীশ আদিৰ নামত সেই চহৰ সংৰক্ষিত ৰাখে। সত্ৰাধিকাৰৰ সলনি ৰাজমেধিক চহৰলৈ পঠোৱা এই শদিয়া, ঠেঙাল চহৰতে আৰম্ভ হৈছিল যদিও পৰৱৰ্তী কালত অন্যান্য অঞ্চলৰ চহৰসমূহলৈ এই পৰম্পৰা সম্প্ৰসাৰণ ঘটিল। ফলস্বৰূপে চহৰৰ সংখ্যা বৃদ্ধি পালে, বৃদ্ধি পালে শিষ্যৰ সংখ্যা আৰু ৰাজমেধিৰো। বৰ্তমান চহৰৰ সংখ্যা শতাধিক হোৱাৰ লগতে ৰাজমেধিৰ সংখ্যাও শতাধিক হয়গৈ। ৰাজমেধিক সহায় কৰিবলৈ পাঁচনি নামৰ অন্য এটি পদবীও সত্ৰত আছে। বিশেষকৈ শদিয়া চহৰৰ বাবে পাঁচনিৰ গুৰুত্ব বেছি। কিয়নো শদিয়া চহৰৰ যিকেইজন ৰাজমেধি হ'ব পাৰে সেইকেইজন সত্ৰৰ প্ৰধান কৰ্মচাৰী। সেইকেইজন প্ৰতিবছৰে চহৰলৈ যাব নোৱাৰে, গতিকে শদিয়া চহৰৰপৰা শিষ্যৰ কৰ-বৰঙণি সংগ্ৰহৰ দায়িত্ব পাঁচনিৰ ওপৰত পৰে।

পাঁচনিয়েই হওক বা ৰাজমেধিয়েই হওক, প্ৰতিবছৰেই চহৰলৈ যায়। শিষ্যৰ গাঁৱৰ নামঘৰত থাকি সপ্তাহ, দহদিন পৰ্যন্ত এটা আধ্যাত্মিক পৰিৱেশ ৰচনা কৰাৰ লগতে সত্ৰৰ লগত শিষ্যৰ পোনপটীয়া সম্পৰ্ক স্থাপন কৰে। শিষ্যই গুৰুঘৰলৈ আগবঢ়োৱা সেৱাটি গুৰু কৰৰ নামত ধান-চাউল গ্ৰহণ কৰি সত্ৰলৈ আনে। শদিয়া চহৰৰ ৰাজমেধিয়ে চহৰত শৰণ-ভজন দিব পাৰে। বাকীসকল ৰাজমেধিয়ে চহৰত মহিলাক শৰণ আৰু পুৰুষ শৰণীয়াসকলক পাহৰণ-সোঁৱৰণহে কৰিব পাৰে। নামঘৰত থকাকেইদিন নাম-কীৰ্তন, সত্ৰীয়া আচাৰ নীতি, ধৰ্ম-কৰ্ম আদিৰ চৰ্চা আৰু প্ৰশিক্ষণ গাঁৱৰ শিষ্যসকলক প্ৰদান কৰে। প্ৰতিবছৰে সাধাৰণতে মাঘ মাহৰপৰা জেঠ, আহাৰ পৰ্যন্ত ৰাজমেধি-পাঁচনিসকল শিষ্যৰ মাজলৈ যায়। আউনীআটী সত্ৰৰ শিষ্যসকলক প্ৰায় এশখনতকৈও অধিক চহৰত ভাগ কৰা আছে। প্ৰত্যেকখনৰে একোগৰাকী ৰাজমেধি অথবা পাঁচনি আছে। ইয়াৰে যাঠি-সত্তৰগৰাকীয়ে প্ৰতি বছৰে শিষ্যৰ গাঁও ভ্ৰমণ কৰে। ৰাজমেধিৰ লগতে ৰাইজৰ নিমন্ত্ৰণ সাপেক্ষে সত্ৰাধিকাৰ আৰু ডেকাধিকাৰে এইসমূহ চহৰৰ ভিতৰত প্ৰতিবছৰেই বাহৰ পাতি ধৰ্ম পাতে। সত্ৰীয়া সংস্কৃতিত শিষ্যৰ লগত প্ৰতিবছৰে সত্ৰৰ পোনপটীয়া সম্পৰ্ক ৰক্ষা কৰা, ধৰ্ম চৰ্চা, ৰাইজক আধ্যাত্মিক উপদেশ দিয়া মূলতঃ আধ্যাত্মিক মিছন সত্ৰ প্ৰতিষ্ঠা কালৰপৰা আনুষ্ঠানিক আৰু শৃংখলাবদ্ধভাৱে আজিও অব্যাহত আছে। এসময়ত গড়মূৰ সত্ৰতো এনে ব্যৱস্থা আছিল যদিও পীতাম্বৰদেৱ গোস্বামীৰ দিনৰপৰা সত্ৰৰ ভকতসকলে গৃহস্থী ধৰ্ম গ্ৰহণ কৰাৰ পাছৰেপৰা সেই পৰম্পৰা লাহে লাহে নাইকিয়া হৈ আহিছে। সত্ৰাধিকাৰসকলেহে শিষ্যৰ মাজত সভা, বাহৰ আদি পাতি আহিছে । শিষ্যৰপৰা গুৰুঘৰলৈ কৰ-বৰঙণি আনুষ্ঠানিকভাৱে অনা পৰম্পৰা লুপ্ত হ'ল।

কমলাবাৰী থূল, এলেঙি থূল, বেঙেনাআটী, কুৰুৱাবাহী, মায়ামৰা আদি থূল আৰু সত্ৰৰ শিষ্য অসমৰ উজনিৰপৰা নামনিলৈকে সিঁচৰতি হৈ আছে যদিও শৃংখলিত আৰু আনুষ্ঠানিক ৰূপত সত্ৰৰ সত্ৰাধিকাৰ বা ভকতসকল শিষ্যৰ মাজলৈ যোৱাৰ ধাৰাবাহিকতা ৰখা নাই বাবে সত্ৰ আৰু শিষ্যৰ মাজৰ ব্যৱধান বাঢ়িছে। সেয়ে তেনে বহু সত্ৰৰ শিষ্যই বেলেগ পন্থ বা অন্য সত্ৰৰ কাষ চাপি শৰণ-ভজন গ্ৰহণ কৰিছে।

শেষত **প্ৰাকৃতিক বিপৰ্যয়, বংশ বৃদ্ধি আৰু শেহতীয়াকৈ চৰকাৰৰ তৰফৰপৰা আৰ্থিক অনুদান, সাহায্য আদি দিয়াৰ কাৰণেই হয়তো সত্ৰৰ সংখ্যা বৃদ্ধি পোৱা বুলি চৰ্চা হৈছে। কিন্তু সেই অনুপাতে সত্ৰমুখী ৰাইজৰ সংখ্যা কমিছে। কোনো সত্ৰই নিজৰ শিষ্যৰ সংখ্যা কিমান আছে সঠিকভাৱে ক'ব নোৱাৰে। সত্ৰত তেখেতসকলৰ শিষ্যৰ সংখ্যাৰ প্ৰামাণিক তথ্য মজুত নাই। কোনোবাই হয়তো আছে বুলি দাবী কৰিব, কিন্তু সেয়া কিমান সত্যৰ ওপৰত প্ৰতিষ্ঠিত সন্দেহ আছে। শিষ্যসকল হ'ল একোখন সত্ৰৰ প্ৰাণ, কিন্তু সত্ৰই শিষ্যৰে ৰাখিবলগীয়া সম্বন্ধৰ পিনে পিঠি দিয়া বুলিলেও অধিক কোৱা নহ'ব।** নতুন প্ৰজন্মৰ প্ৰতিনিধিসকলৰ সৰহ সংখ্যককেই সুধিলে তেওঁলোকৰ গুৰুঘৰখন কি বুলিলে সঠিক উত্তৰ পোৱা টান হ'ব। ইয়াৰ বাবে নিশ্চয় সত্ৰসমূহেই প্ৰশ্নৰ সন্মুখীন হ'ব।

পুনশ্চ, নামঘৰ, কৰাপাট আদি সজাই-পৰাই প্ৰতিখন সত্ৰই নিজৰ পৰিচয় উদ্ধাৰ বা সংৰক্ষণ-সংবৰ্ধন কৰাৰ যি প্ৰয়াস কৰিছে, সেয়া নিতান্তই আদৰণীয়। তাৰ লগতে শিষ্যৰ লগত সম্বন্ধ সুদৃঢ় ঘটাওক, অন্ততঃ নিজৰ শিষ্যসকলৰ মাজতেই সত্ৰীয়া কৃষ্টি-সংস্কৃতি বিকাশৰ ব্যৱস্থাপনা হাতত লওক। **অসম সত্ৰ মহাসভাৰ মঞ্চত প্ৰতিখন সত্ৰই বছৰত এইক্ষেত্ৰত কৰা প্ৰয়াসৰ প্ৰতিবেদন দাখিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰক।**

ঠিকনা ঃ শিক্ষক, গড়মূৰ শ্ৰীশ্ৰীপীতাম্বৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়, মাজুলী-৭৮৫১০৬, ফোন ঃ ৯১০১১১৫৬৪৯